# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-06-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - -

১। মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি ৰূপায়ণ কৰাৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ।

২। ৰাজ্যৰ ৮০০ খন চাহ বাগিচাৰ পথ সংযোগ উন্নত কৰাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ৮০০ কোটি টকাৰ অনুমোদন।

৩। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে চন্দ্ৰবাবু নাইডু আৰু ওড়িশাৰ মুখ্যমন্ত্ৰী হিচাপে মোহন চৰণ মাঝিৰ শপতগ্ৰহণ। দুয়োখন ৰাজ্যৰ নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

৪। ৰাজ্যজুৰি শিশু শ্ৰম বিৰোধী দিৱস উদযাপন। শিশু সুৰক্ষাৰ দিশত ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৫। বেংগালুৰুত অনুষ্ঠিত ইণ্ডিয়ান গ্ৰাঁ-প্ৰি তিনিৰ ত্ৰিপ'ল জাম্পত অসমৰ অম্বিকা নাৰ্জাৰীৰ ব্ৰঞ্জৰ পদক জয়।

**আৰু**

৬। আই চি চি টি-টুৱেণ্টি বিশ্বকাপৰ আজি নিউয়ৰ্কত হ'বলগীয়া খেলত ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুখামুখি।

০০০০০

ৰাজ্য চৰকাৰে পূৰ্ব ঘোষিত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয় যে, ৰাজ্যিক মন্ত্ৰীসভাই আজি এই আঁচনিখনক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰে। এই আঁচনি অনুসৰি একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মাহে এহেজাৰ টকাকৈ লাভ কৰিব। গৰমৰ বন্ধৰ দুটা মাহক বাদ দি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ সমগ্ৰ সময়ছোৱাত প্ৰতি মাহৰ ১১ তাৰিখে সংশ্লিষ্ট ছাত্ৰীগৰাকীৰ একাউণ্টত এই ধন সোমাব বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, তিনিবছৰীয়া অথবা চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰা ছাত্ৰীসকলৰ বাবে এই আঁচনিৰ ধনৰ পৰিমান হ'ল এহেজাৰ ২৫০ টকা। আনহাতে বি এড পাঠ্যক্ৰমকে ধৰি স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰি বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। বাল্য বিবাহ ৰোধৰ প্ৰতি লক্ষ্য ৰাখি এই আঁচনি প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ কোনো বিবাহিত ছাত্ৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰীয়ে এই সুবিধা নাপাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে অৰ্থনৈতিকভাৱে দুৰ্বল শিক্ষাৰ্থীয়ে নীটৰ পৰীক্ষাত সফলতা লাভ কৰাৰ বাবে ৰাজ্য চৰকাৰে ফলপ্ৰসূ প্ৰচেষ্টা হাতত লৈছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, ৰাজ্যিক যুৱ আয়োগৰ নেতৃত্বত শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হৈছে। ডিব্ৰুগড়ত এলেনৰ সৈতে যুটীয়াভাৱে ২২০ গৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছিল আৰু ইয়াৰ ভিতৰত ১৫০ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, শীঘ্ৰেই নলবাৰী, শিলচৰ আৰু যোৰহাটতো প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। উল্লেখযোগ্য যে ৮০০ খন চাহ বাগিচাৰ পথ সংযোগ উন্নত কৰাৰ বাবে আজিৰ মন্ত্ৰীসভাৰ বৈঠকত ৮০০ কোটি টকাৰ অনুমোদন জনোৱা হয়।

০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰম্ভ হ'ব। এই অধিৱেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ, অধ্যক্ষ নিৰ্বাচন, ৰাষ্ট্ৰপতিৰ ভাষণ আদিৰ উপৰি আন কেতবোৰ বিষয় আলোচনা কৰা হ'ব। আনহাতে ৰাজ্যসভাৰ ২৬৪ সংখ্যক অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব আৰু ৩ জুলাইত অন্ত পৰিব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে দেশৰ জনসাধাৰণে তেওঁলোকৰ নেতা নিৰ্বাচন কৰিলে আৰু এতিয়া দেশৰ সেৱা কৰাটোৱে হৈছে নেতাসকলৰ কৰ্তব্য। তেওঁ লগতে ১৪০ কোটি ভাৰতীয়ৰ আকাংক্ষা পূৰ্ণ কৰাৰ বাবে আলোচনা, সমালোচনা তথা বিতৰ্ক কৰাৰ বাবে সংসদ উপযুক্ত মঞ্চ বুলি মন্তব্য কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝিয়ে আজি বিয়লি ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ভূৱনেশ্বৰৰ জনতা ময়দানত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত মাঝিৰ উপৰি দুগৰাকী উপ-মুখ্যমন্ত্ৰী কনক বৰ্ধন সিং দেউ আৰু প্ৰৱতি পৰিদাৰ লগতে কেইবাগৰাকীও মন্ত্ৰীয়ে শপত গ্ৰহণ কৰে। ৰাজ্যখনত নবীন পাটনায়ক নেতৃত্বাধীন বিজু জনতা দলৰ ২৪ বছৰীয়া শাসনৰ অন্তত প্ৰথমবাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিছে। ৫২ বছৰীয়া মাঝিক সৰ্বসন্মতিক্ৰমে কালি বিজেপি বিধায়িনী দলৰ নেতা হিচাপে বাছনি কৰা হয়। এই উপলক্ষে আয়োজিত বৈঠকত দলৰ কেন্দ্ৰীয় পৰ্যবেক্ষক তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু মন্ত্ৰী ভূপেন্দ্ৰ য়াদৱ উপস্থিত আছিল। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, জুৱেল অ'ৰাম, ধৰ্মেন্দ্ৰ প্ৰধানকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাসহ বিজেপিশাসিত ৰাজ্যসমূহৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

০০০০০

তেলেগু দেশম পাৰ্টিৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডুৱে আজি অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যখনৰ কৃষ্ণা জিলাৰ কেছাৰাপল্লী আই টি পাৰ্কত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল এছ আব্দুল নাজিৰে আজি তেওঁক শপতবাক্য পাঠ কৰোৱায়। নৱনিযুক্ত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যখনৰ ২৪ গৰাকী নৱ-নিৰ্বাচিত বিধায়কেও আজি মন্ত্ৰী পৰিষদৰ সদস্য হিচাপে শপতগ্ৰহণ কৰে। এইসকলৰ মাজত জনসেনা পাৰ্টিৰ তিনিগৰাকী আৰু ভাৰতীয় জনতা পাৰ্টিৰ এগৰাকী সদস্যয়ো আছে। আজি মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাসকলৰ মাজৰ অন্যতম কেইগৰাকীমান হ'ল জনসেনা পাৰ্টিৰ মুৰব্বী কে পৱন কল্যাণ, টি ডি পিৰ সাধাৰণ সম্পাদক নৰ লোকেশ আৰু জ্যেষ্ঠ বিজেপি নেতা সত্য কুমাৰ য়াদৱ।

শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী

নীতিন গাডকাৰীৰ লগতে কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে এই শপতগ্ৰহণ অনুষ্ঠানত ছিংগাপুৰ, জাপান, দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া আৰু ফ্ৰান্সৰ কূটনীতিবিদসকলেও অংশগ্ৰহণ কৰে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য অংশৰ লগতে অসমতো এই দিৱসৰ প্ৰস্তুতি অব্যাহত আছে। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে - 'মহিলা সৱলীকৰণৰ বাবে যোগ'। শৰীৰ আৰু মনৰ সুস্থতা ৰক্ষাৰ ক্ষেত্ৰত যোগাভ্যাসৰ গুৰুত্ব বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে উপলব্ধি কৰাৰ পৰিপ্ৰেক্ষিতত এই দিৱসৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে। যোগৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ প্ৰণৱ কুমাৰ নাথে এইদৰে কয় –

(ভইচ)

০০০০০

নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰি নৱনিযুক্ত মন্ত্ৰীগৰাকীয়ে তেওঁক পুনৰ বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্ব অৰ্পণ কৰা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। একে সময়তে তেওঁ বিগত ১০টা বছৰৰ প্ৰধানমন্ত্ৰী মোদীৰ শক্তিশালী নেতৃত্ব তথা উন্নয়নমুখী প্ৰশাসনৰ বিষয়ে উল্লেখ কৰি কয় যে, প্ৰধানমন্ত্ৰীৰ এনে নেতৃত্বৰ বাবেই দেশখনে ভিন ভিন খণ্ডত সংস্কাৰমুখী পৰিৱৰ্তনৰ পথ দেখিবলৈ পোৱাৰ লগতে মজবুত অৰ্থনৈতিক শক্তি হিচাপে মূৰ দাঙি উঠিবলৈ সমৰ্থ হৈছে।

বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ অন্তৰ্গত ভিন ভিন বিভাগৰ সচিবসকলে বিভিন্ন আঁচনি সম্পৰ্কীয় বিষয়সমূহৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰোৱাৰ পাছত তেওঁ কয় যে, দেশৰ নাগৰিকসকলৰ জীৱন-ধাৰণৰ মান সহজ হৈ উঠাটো নিশ্চিত কৰাৰ বাবে চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ২০১৪ চনত আৰম্ভ কৰা সংস্কাৰমূলক পদক্ষেপসমূহ অব্যাহত থাকিব বুলি উল্লেখ কৰি তেওঁ কয় যে, ইয়াৰ জৰিয়তে অৰ্থনীতিৰ বিকাশ আৰু সুস্থিৰতা অধিক বৃদ্ধি পাব।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰে। শ্ৰীগাডকাৰীয়ে  পুনৰবাৰ তেওঁক পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত ক্ষিপ্ৰতাৰে ভাৰত বিশ্বমানৰ আধুনিক আন্তঃগাঁথনিৰে পৰিপূৰ্ণ হৈ উঠিব। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অজয় তাম্তা আৰু হৰ্ষ মালহোট্ৰাইও আজি তেওঁলোকৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ উপ-সচিব মণিসুন্দৰ বেনাৰ্জীয়ে আজি বৰপেটা জিলাৰ জনীয়াত পঞ্চায়ত পৰ্যায়ত ৰূপায়ণ হোৱা বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ কাম-কাজৰ ক্ষেত্ৰভিত্তিক পৰ্যালোচনা কৰে। সচিবগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ লগতে আনুসংগিক বিভিন্ন বিষয় সন্দৰ্ভত চালি-জাৰি চায়। তেওঁ লগতে জলজীৱন মিছনৰ ৰূপায়ণ, আয়ুস্মান কাৰ্ডৰ সুবিধা জনসাধাৰণে লাভ কৰিছেনে নাই, ইত্যাদি বিষয়েও পৰ্যালোচনা কৰে। এই পৰ্যবেক্ষণ কালত বৰপেটাৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিতকে ধৰি বিভিন্ন বিভাগৰ বিষয়া, প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উপ-সচিবগৰাকীয়ে জনীয়াত জনসাধাৰণৰ সৈতেও মত বিনিময়

কৰে। মত বিনিময় কালত তেওঁ কেন্দ্ৰীয় আঁচনিসমূহৰ দ্বাৰা ৰাইজ কিমানদূৰ লাভৱান হৈছে এই সন্দৰ্ভত বুজ লয়।

০০০০০

প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ ধনৰ বাবে আবেদন কৰা দৰং জিলাৰ কোনো এগৰাকীও যোগ্য কৃষক যাতে আঁচনিখনৰ ১৭ নম্বৰ কিস্তিৰ ধনৰ পৰা বাদ পৰি নাযায়, তাৰ বাবে দৰং জিলা কৃষি বিভাগে জিলা প্ৰশাসনৰ পৰ্যবেক্ষণত তৎপৰতা অব্যাহত ৰাখিছে। জিলা কৃষি বিভাগে যোৱা ২৭ মে'ৰ পৰা মাহজোৰা কাৰ্যসূচীৰে পঞ্চায়তে পঞ্চায়তে এই পৰিপূৰ্ণতা অভিযান চলাইছে। এই অভিযানৰ অংশ হিচাপে পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত জনাৰাম চৌকা গাঁও পঞ্চায়তত দিনজোৰা কাৰ্যসূচীৰে বিশেষ কৃষক শিবিৰ অনুষ্ঠিত হয়। দিনজোৰা এই শিবিৰত জিলাৰ অতিৰিক্ত আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰী, জিলা কৃষি বিষয়া ড০ মনোৰঞ্জন শৰ্মা, আঁচনিখনৰ জিলা ন'ডেল বিষয়া দেৱ কুমাৰ শৰ্মাকে ধৰি বহুকেইগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০

শিশু শ্ৰমৰ বিৰুদ্ধে ব্যাপক সজাগতা সৃষ্টিৰ বাবে আজি বিশ্বজুৰি শিশু শ্ৰম বিৰোধী দিৱস পালন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কৈছে যে অসম চৰকাৰ শিশু সুৰক্ষাৰ দিশত সম্পূৰ্ণৰূপে দায়বদ্ধ। তেওঁ লগতে এই দিনটোত ৰাজ্যৰ যিকোনো ঠাইতে শিশু শ্ৰমিক বা শিশু নিৰ্যাতনৰ ঘটনা দৃষ্টিগোচৰ হ'লে তাৎক্ষণিকভাৱে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাৰ সংকল্প ল'বলৈ আহ্বান জনায়।

**কামৰূপ মহানগৰ** জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত কাৰ্যালয় আৰু জিলা আইন সেৱা প্ৰাধিকাৰীয়ে আজি এটা বেচৰকাৰী সংস্থাৰ সহযোগত এই দিৱস পালন কৰে। এই উপলক্ষে পুৱাৰ ভাগত পাণবজাৰৰ পৰা দীঘলী পুখুৰীলৈ ছাত্ৰ-ছাত্ৰীৰ সহযোগত সজাগতামূলক সমদল উলিওৱা হয়। তদুপৰি পাণবজাৰৰ ডনব'স্ক' হাইস্কুলৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত উদ্ধাৰ কৰা কেইবাগৰাকীও শিশু শ্ৰমিকক পুনৰ সংস্থাপনৰ বাবে ধন বিতৰণ কৰা হয়। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ শিশু কল্যাণ সমিতিৰ অধ্যক্ষ জিতু দত্ত, 'বচপন বচাও' আন্দোলনৰ ৰাজ্যিক সমন্বয়ক ববিতা শইকীয়াকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

**শিৱসাগৰ** জিলাৰ আয়ুক্ত আদিত্য বিক্ৰম য়াদৱৰ অধ্যক্ষতাত আজি শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্তই শিশু সুৰক্ষা বিষয়ক আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণৰ উদ্দেশ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা শিশু সুৰক্ষা বিষয়াক নিৰ্দেশ দিয়ে। সভাৰ অন্তত বিশ্ব শিশু শ্ৰম বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা স্বাক্ষৰ অভিযানৰ শুভাৰম্ভ কৰা হয়।

**মৰিগাঁও** জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা আইন সেৱা প্ৰাধিকাৰী আৰু শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আজি এখন সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনৰ বিভিন্ন কাৰখানা ব্যৱসায়িক প্ৰতিষ্ঠান, হোটেল আৰু গেৰেজত ধাৰাবাহিকভাৱে অভিযান চলাই শিশু শ্ৰমিকসকলক উদ্ধাৰ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তেওঁলোকে লগতে শিশু শ্ৰমিক বিৰোধী শপত বাক্য পাঠ কৰায়। তামুলপুৰ জিলাত আজি শিশু শ্ৰম বিৰোধী দিৱসৰ দিনাই ২১ টি শিশু শ্ৰমিকক উদ্ধাৰ কৰা হয়। এটা স্বেচ্ছাসেৱী সংস্থা, সমাজ কল্যাণ বিভাগ, শ্ৰম বিভাগৰ লগতে কেইবাটাও চৰকাৰী, বেচৰকাৰী সংস্থাৰ উদ্যোগত অভিযান চলাই উদ্ধাৰ কৰা শিশুকেইটি বাক্সা জিলাৰ শিশু সুৰক্ষা গৃহলৈ প্ৰেৰণ কৰা হৈছে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ বাংলাদেশী সীমান্তৱৰ্তী বৰাইৰ আলগা গাঁও পঞ্চায়তত আজি এই দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০

অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি বিভাগৰ অধীনত চলি থকা শেহতীয়া কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে অসম চুক্তি ৰূপায়ণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে জনতা ভৱনত এখন বৈঠকত মিলিত হয়। মন্ত্ৰী শ্ৰীবৰাই বিভাগৰ যাৱতীয় কাম-কাজসমূহ ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত অসম চুক্তি ৰূপায়ণ বিভাগৰ বিশেষ সচিব অশোক বৰ্মনকে ধৰি আন আন বিষয়াসকল উপস্থিত থাকে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা বাক্সা আৰু গোৱালপাৰা জিলাৰ ২৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে মত বিনিময় কৰে। সমগ্ৰ শিক্ষা অভিযানৰ অধীনত বিজ্ঞান আৰু গণিত বিষয়ৰ মাধ্যমিক শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে আয়োজন কৰা ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী শিক্ষাৰ্থীসকলৰ শৈক্ষিক মান উন্নত কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে সমগ্ৰ শিক্ষা অভিযানে বিগত দুবছৰত ৪ হাজাৰ ৫৬১ গৰাকী বিজ্ঞান আৰু গণিত বিষয়ৰ মাধ্যমিক শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পাছত ২০২৪-২৫ চনৰ ভিতৰত আৰু ৪ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰীক এই দুটা বিষয়ত প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰিছে।

০০০০০

মন্ত্ৰী পীযূষ হাজৰিকাৰ অধ্যক্ষতাত গুৱাহাটীত আজি জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ, অসমৰ পৰামৰ্শদাতা সমিতিৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জ্যেষ্ঠ নাগৰিকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু অসুবিধাৰ বিষয়ে আলোচনা কৰা হয়। এই ক্ষেত্ৰত জ্যেষ্ঠ নাগৰিকসকলৰ বিভিন্ন সমস্যা, বৃদ্ধ পেঞ্চন, চিকিৎসা সেৱাৰ আদিৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক মন্ত্ৰী শ্ৰীহাজৰিকাই নিৰ্দেশ দিয়ে। সমাজৰ জ্যেষ্ঠ নাগৰিকসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে বৈঠকত উল্লেখ কৰে। আজিৰ এই সভাত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ, অসমৰ অধ্যক্ষ প্ৰদীপ ঠাকুৰীয়া, সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ আয়ুক্ত সচিব বীৰেন্দ্ৰ মিট্টাল, সচিব কে জে হিলালী আদি বহুকেইগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০

গুৱাহাটীৰ পামহিত থকা মইনা খোৰোং মজলীয়া বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে কালি এটা গ্ৰীষ্মকালীন স্বাস্থ্য সজাগতা শিবিৰ মুকলি কৰা হয়। এই শিবিৰ ৰাৰিয়ৰ্ছ মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত মুকলি কৰা হৈছিল।

০০০০০

ভাৰত আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত বৰ্তমানলৈ এখনো খেলত পৰাজিত হোৱা নাই। ইতিপূৰ্বে হৈ যোৱা খেলত ভাৰতে পাকিস্তান আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে

আমেৰিকাই কানাডা আৰু পাকিস্তানক পৰাভূত কৰিছে। ভাৰত উন্নত ৰান ৰেটৰ ভিত্তিত গ্ৰুপৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে আমেৰিকা এই তালিকাৰ দ্বিতীয় স্থানত আছে।

এণ্টিগুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত অষ্ট্ৰেলিয়াই নামিবিয়াক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত নামিবিয়াই নিৰ্ধাৰণ কৰি দিয়া ৭৩ ৰানৰ বিজয় লক্ষ্য অষ্ট্ৰেলিয়াৰ দলটোৱে মাত্ৰ ৫ অভাৰ আৰু ৪টা বলতেই অতিক্ৰম কৰে।

আনহাতে, ফ্লৰিডাত শ্ৰীলংকা আৰু নেপালৰ মাজত হ'বলগীয়া খেলখন প্ৰতিকূল বতৰৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়।

ooooo

অসমৰ অম্বিকা নাৰ্জাৰীয়ে বেংগালুৰুত অনুষ্ঠিত ইণ্ডিয়ান গ্ৰাঁ-প্ৰি তিনিৰ ত্ৰিপ'ল জাম্পত তৃতীয়স্থান দখলেৰে ব্ৰঞ্জৰ পদক জয় কৰে। এই শাখাত মহাৰাষ্ট্ৰৰ পূৰ্বা হিতেশ ছাৱন্তে সোণ আৰু মহাৰাষ্ট্ৰৰে ছাৰ্ভাৰী অভিনাশ পাৰুলে ৰূপৰ পদক লাভ কৰে। ব্ৰঞ্জৰ পদক জয়ৰ পাছত অম্বিকাই ১২ দশমিক ৫১ মিটাৰ জঁপিয়ায়। ইপিনে আজি সন্ধিয়া হ'বলগীয়া মহিলাৰ ২০০ মিটাৰ দৌৰত হিমা দাস অৱতীৰ্ণ হ'ব।

oooooooo

সমাপ্ত